অসম

কোকৰাঝাৰত ১ ডিচেম্বৰৰ পৰা উত্তৰ-পূব ৰাষ্ট্ৰীয় গ্ৰন্থমেলা, বডোলেণ্ড-২০২৬

প্ৰকাশ: ২৮ নৱেম্বৰ ২০২৬, আবেলি ৬:৪৬



(Dhananjoy Barman)

বিটিচি চৰকাৰৰ শিক্ষা বিভাগ আৰু নৰ্থ-ইষ্ট পাব্লিছাৰ্ছ এণ্ড বুক ছেলাৰ্ছ গিল্ডৰ যৌথ উদ্যোগত আয়োজন কৰা হৈছে এই গ্ৰন্থমেলাখন। অহা ১ ডিচেম্বৰৰ পৰা ৯ ডিচেম্বৰলৈকে মুঠ ৯ দিনীয়া কাৰ্যসূচীৰে বিটিচিৰ সদৰ কোকৰাঝাৰৰ গ্ৰীণ ফিল্ডত অনুষ্ঠিত হ'ব এই গ্ৰন্থমেলা। ১ ডিচেম্বৰৰ বিয়লি ৩ বজাত গ্ৰন্থমেলাখন আনুষ্ঠানিকভাৱে উদ্বোধন কৰিব বিটিচি প্ৰধান হাগ্ৰামা মহিলাৰীয়ে। অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকিব অসমৰ শিক্ষামন্ত্ৰী ডাঃ ৰণোজ পেগু। ইয়াৰ উপৰি বিটিচিৰ মন্ত্ৰী-বিধায়ক, কাৰ্যবাহী সদস্য, বিশিষ্ট সাহিত্যিক, শিক্ষাবিদ, বিশ্ববিদ্যালয়ৰ অধ্যাপক আৰু বিভিন্ন সাহিত্য-সাংস্কৃতিক অনুষ্ঠানৰ প্ৰতিনিধিসকলে অংশগ্ৰহণ কৰিব। গ্ৰন্থমেলাৰ কেইবাদিনীয়া কাৰ্যসূচীত উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্য, ভাষা, সংস্কৃতি আৰু বৌদ্ধিক চৰ্চাক বিশেষ গুৰুত্ব প্ৰদান কৰা হৈছে। ৩ ডিচেম্বৰত উদীয়মান প্ৰযুক্তি আৰু শিক্ষা, অৰ্থনীতি তথা বহনক্ষম

জীৱিকাৰ ওপৰত আলোচনা অনুষ্ঠিত হ’ব। ৪ ডিচেম্বৰত উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্য আৰু অনুবাদ বিষয়ক আলোচনা, ৫ ডিচেম্বৰত বিটিচিৰ সফল নাৰীসকলক সম্বৰ্ধনা জনোৱাৰ লগতে নাৰী সৱলীকৰণৰ ওপৰত বিশেষ আলোচনা অনুষ্ঠিত হ’ব। ৬ ডিচেম্বৰত শিক্ষার্থীসকলৰ মাজত চিত্রাংকন প্রতিযোগিতা, বক্তৃতা প্রতিযোগিতা আৰু আন্তঃবিদ্যালয় কুইজ প্রতিযোগিতাৰ আয়োজন কৰা হৈছে। আনহাতে, ৭ ডিচেম্বৰত ৰাষ্ট্রীয় শিক্ষা নীতি আৰু ভাৰতৰ বিকশিত যাত্রা, থলুৱা জ্ঞান ব্যৱস্থা আৰু অর্থনৈতিক পৰিৱর্তন সন্দর্ভত আলোচনা অনুষ্ঠিত হ’ব। ৮ ডিচেম্বৰত বড়ো ভাষা, সাহিত্য আৰু ডিজিটেল যুগত ভাষা-প্রযুক্তিৰ ভৱিষ্যৎ সম্পর্কে বিশেষ আলোচনা অনুষ্ঠিত হ’ব। প্রতিদিনে বিয়লি ৫ বজাৰ পৰা নিশা ৮ বজালৈ বিভিন্ন বিদ্যালয়ৰ ছাত্র-ছাত্রীৰ মাজত একাংকিকা নাট, দলীয় নৃত্য, সাধু কোৱা, মিমিক্রী, একক নৃত্য আৰু সংগীত প্রতিযোগিতাও অনুষ্ঠিত হ’ব। ৯ ডিচেম্বৰত গ্রন্থমেলাৰ সামৰণি অনুষ্ঠানত অসমৰ পৰিবহণ আৰু কল্যাণ বিভাগৰ মন্ত্রী চৰণ বড়ো মুখ্য অতিথি হিচাপে উপস্থিত থাকিব। বিয়লি ৪ বজাৰ পৰা বঁটা বিতৰণী আৰু সামৰণি অনুষ্ঠান অনুষ্ঠিত হোৱাৰ লগতে সন্ধিয়া ৬ বজাৰ পৰা সাংস্কৃতিক অনুষ্ঠানৰো আয়োজন কৰা হৈছে। উল্লেখ্য যে, গ্রন্থমেলাখনৰ জৰিয়তে উত্তৰ-পূৰ্বাঞ্চলৰ সাহিত্য, জ্ঞান, ভাষা আৰু বৌদ্ধিক ঐতিহ্যক এক উমৈহতীয়া মঞ্চ প্রদান কৰাৰ লগতে কোকৰাঝাৰত এক সুস্থ পঠন সংস্কৃতি গঢ়ি তোলাৰ লক্ষ্য গ্রহণ কৰিছে আয়োজক সমিতিয়ে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/7336/kokorajharot-1-disemboror-pora-uttor-pub-rastriy-gronthomela-bodolend-2026